১. অভাৱ, পছন্দ আৰু সুযোগ ব্যয়

অভাৱৰ ধাৰণা (Scarcity)

অৰ্থনীতিৰ মূল সমস্যাটো হৈছে অভাৱ। মানুহৰ অভাৱ বা প্ৰয়োজন অসীম, কিন্তু সেই প্ৰয়োজন পূৰণ কৰিবলৈ ব্যৱহাৰ কৰিব পৰা সম্পদৰ পৰিমাণ সীমিত। মানুহে খাদ্য, বস্ত্ৰ, বাসস্থান, শিক্ষা, স্বাস্থ্য, যাতায়াত আৰু বিনোদনৰ দৰে বিভিন্ন সামগ্ৰী আৰু সেৱাৰ প্ৰয়োজন অনুভৱ কৰে। কিন্তু এই সকলোবোৰ প্ৰয়োজন একে সময়তে পূৰণ কৰিবলৈ পৰ্যাপ্ত সম্পদ উপলব্ধ নহয়। এই সীমিত সম্পদ আৰু অসীম প্ৰয়োজনৰ মাজত থকা ব্যৱধানকে অৰ্থনৈতিক অভাৱ বুলি কোৱা হয়।

অৰ্থনীতিত সম্পদৰ অভাৱ বুলিলে কোনো সম্পদ সম্পূৰ্ণৰূপে নথকা অৱস্থাক নুবুজায়। বৰং কোনো নিৰ্দিষ্ট সময়ত উপলব্ধ সম্পদৰ তুলনাত মানুহৰ প্ৰয়োজন অধিক হোৱা অৱস্থাক বুজায়।

অভাৱৰ প্ৰধান বৈশিষ্ট্যসমূহঃ

- প্ৰয়োজনৰ অসীমতাঃ মানুহৰ প্ৰয়োজনৰ কোনো নিৰ্দিষ্ট সীমা নাই। এটা প্ৰয়োজন পূৰণ হোৱাৰ পিছত আন এটা নতুন প্ৰয়োজনৰ সৃষ্টি হয়।
- সম্পদৰ সীমাবদ্ধতাঃ ভূমি, শ্ৰম, মূলধন আৰু উদ্যোগীৰ দৰে উৎপাদনৰ উপাদানসমূহ সীমিত।
- বিকল্প ব্যৱহাৰঃ একেটা সম্পদ বিভিন্ন উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰি। উদাহৰণস্বৰূপে, এখন ভূমি কৃষি, উদ্যোগ বা বাসগৃহ নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰিব পাৰি।
- বাছনিৰ প্ৰয়োজনীয়তাঃ সম্পদ সীমিত হোৱা বাবে মানুহে কোনটো প্ৰয়োজন আগতে পূৰণ কৰিব আৰু কোনটো পিছলৈ ৰাখিব, সেই সিদ্ধান্ত ল'ব লাগে।
- অৰ্থনৈতিক সমস্যাৰ সৃষ্টিঃ অভাৱৰ ফলতেই কি উৎপাদন কৰিব, কেনেকৈ উৎপাদন কৰিব আৰু কাৰ বাবে উৎপাদন কৰিব আদি মৌলিক অৰ্থনৈতিক সমস্যাৰ সৃষ্টি হয়।

পছন্দৰ ধাৰণা (Choice)

সীমিত সম্পদৰ বিপৰীতে মানুহৰ প্ৰয়োজন অসীম হোৱা বাবে সকলো প্ৰয়োজন একেলগে পূৰণ কৰা সম্ভৱ নহয়। সেয়েহে উপলব্ধ বিকল্পসমূহৰ মাজৰ পৰা অধিক গুৰুত্বপূৰ্ণ বা অধিক সন্তুষ্টি প্ৰদান কৰা বিকল্পটো নিৰ্বাচন কৰিবলগীয়া হয়। এই নিৰ্বাচন প্ৰক্ৰিয়াকে অৰ্থনীতিত পছন্দ বুলি কোৱা হয়।

পছন্দৰ গুৰুত্বঃ

- সীমিত সম্পদৰ সৰ্বোত্তম ব্যৱহাৰত সহায় কৰে।
- ব্যক্তিগত আৰু সামাজিক অগ্ৰাধিকাৰ নিৰ্ধাৰণ কৰে।
- সম্পদৰ বণ্টন সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণত সহায় কৰে।
- সুযোগ ব্যয়ৰ সৃষ্টি কৰে।
- অৰ্থনৈতিক পৰিকল্পনা আৰু নীতি নিৰ্ধাৰণৰ ভিত্তি গঠন কৰে।

সুযোগ ব্যয় (Opportunity Cost)

এটা বিকল্প নিৰ্বাচন কৰাৰ ফলত পৰিত্যাগ কৰিবলগীয়া হোৱা পৰৱৰ্তী সৰ্বোত্তম বিকল্পটোৰ মূল্যকে সুযোগ ব্যয় বুলি কোৱা হয়। অৰ্থাৎ, কোনো সিদ্ধান্ত গ্ৰহণ কৰাৰ সময়ত আমি যিটো বিকল্প বাছি লওঁ, তাৰ বিনিময়ত যিটো সৰ্বোত্তম বিকল্প এৰি দিবলগীয়া হয়, সেই পৰিত্যক্ত বিকল্পৰ মূল্যই হৈছে সুযোগ ব্যয়।

উদাহৰণঃ এজন ছাত্ৰৰ হাতত ১,০০০ টকা আছে। তেওঁ সেই ধনেৰে অৰ্থনীতিৰ কিতাপ কিনিব পাৰে অথবা এখন নতুন পোছাক ক্ৰয় কৰিব পাৰে। তেওঁ যদি কিতাপ কিনিবলৈ সিদ্ধান্ত লয়, তেন্তে পোছাক ক্ৰয় কৰাৰ সুযোগটো পৰিত্যাগ কৰিব লাগিব। এই ক্ষেত্ৰত পোছাক ক্ৰয় কৰাৰ পৰা পোৱা সম্ভাব্য সন্তুষ্টিয়েই কিতাপ ক্ৰয়ৰ সুযোগ ব্যয়।

সুযোগ ব্যয়ৰ বৈশিষ্ট্যসমূহঃ

- সুযোগ ব্যয় পছন্দৰ সৈতে জড়িত।
- ইয়াৰ সৃষ্টি হয় সম্পদৰ সীমাবদ্ধতাৰ বাবে।
- ই পৰিত্যক্ত পৰৱর্তী সর্বোত্তম বিকল্পৰ মূল্য প্রকাশ কৰে।
- সুযোগ ব্যয় কেৱল আর্থিক ব্যয়তে সীমাবদ্ধ নহয়; সময় আৰু সন্তুষ্টিৰ মূল্যও ইয়াৰ অন্তর্ভুক্ত।
- প্রতিটো অর্থনৈতিক সিদ্ধান্তৰ সৈতে কোনো নহয় কোনো সুযোগ ব্যয় জড়িত হৈ থাকে।

সুযোগ ব্যয় আৰু প্রকৃত ব্যয়ৰ পার্থক্যঃ

- প্রকৃত ব্যয় হৈছে কোনো সামগ্রী বা সেৱা লাভ কৰিবলৈ প্রত্যক্ষভাৱে কৰা আর্থিক ব্যয়।
- সুযোগ ব্যয় হৈছে এটা বিকল্প বাছনি কৰাৰ ফলত পৰিত্যাগ কৰা পৰৱর্তী সর্বোত্তম বিকল্পৰ মূল্য।

২. উৎপাদন সম্ভাৱনা সীমাৰেখা (Production Possibility Frontier)

অর্থ আৰু সংজ্ঞাঃ উৎপাদন সম্ভাৱনা সীমাৰেখা হৈছে এখন অর্থনীতিয়ে উপলব্ধ সম্পদ আৰু প্রযুক্তি সম্পূর্ণৰূপে আৰু দক্ষতাৰে ব্যৱহাৰ কৰি নির্দিষ্ট সময়ত উৎপাদন কৰিব পৰা দুটা সামগ্রীৰ বিভিন্ন সম্ভাব্য সংমিশ্রণ প্রদর্শন কৰা এটা ৰেখা। ইয়াক উৎপাদন সম্ভাৱনা বক্র বুলিও কোৱা হয়।

উৎপাদন সম্ভাৱনা সীমাৰেখাৰ অনুমানসমূহ

উৎপাদন সম্ভাৱনা সীমাৰেখা নির্মাণৰ ক্ষেত্রত কেইটামান বিশেষ অনুমান গ্রহণ কৰা হয়।

- দুটা সামগ্রীঃ অর্থনীতিখনে কেৱল দুটা সামগ্রী উৎপাদন কৰে বুলি ধৰা হয়।
- নির্দিষ্ট সম্পদঃ ভূমি, শ্রম আৰু মূলধনৰ পৰিমাণ নির্দিষ্ট বুলি ধৰা হয়।
- নির্দিষ্ট প্রযুক্তিঃ উৎপাদন প্রযুক্তিৰ কোনো পৰিৱর্তন নহয়।
- সম্পূর্ণ নিয়োগঃ উপলব্ধ সকলো উৎপাদন সম্পদ সম্পূর্ণৰূপে ব্যৱহাৰ কৰা হয়।
- সম্পদৰ দক্ষ ব্যৱহাৰঃ সম্পদসমূহ দক্ষতাৰে ব্যৱহাৰ কৰা হয়।
- সম্পদৰ স্থানান্তৰঃ সম্পদসমূহ এটা সামগ্রীৰ উৎপাদনৰ পৰা আন এটা সামগ্রীৰ উৎপাদনলৈ স্থানান্তৰ কৰিব পাৰি।


উৎপাদন সম্ভাৱনা তালিকা

ধৰি লোৱা হ'ল, এখন দেশে খাদ্যশস্য আৰু বস্ত্র উৎপাদন কৰে। দেশখনৰ উৎপাদন সম্ভাৱনাসমূহ তলত দেখুওৱা হ'ল।

উৎপাদনৰ বিকল্প	খাদ্যশস্য (একক)	বস্ত্র (একক)
A	০	১৫
B	১	১৪
C	২	১২
D	৩	৯
E	৪	৫
F	৫	০

এই তালিকাৰ পৰা দেখা যায় যে খাদ্যশস্যৰ উৎপাদন বৃদ্ধি কৰিবলৈ দেশখনে বস্ত্রৰ উৎপাদন ক্রমান্বয়ে হ্রাস কৰিবলগীয়া হৈছে।

চিত্রখনত অনুভূমিক অক্ষত খাদ্যশস্য আৰু উলম্ব অক্ষত বস্ত্রৰ উৎপাদন দেখুওৱা হৈছে। সীমাৰেখাৰ ওপৰত থকা প্ৰতিটো বিন্দুৱে সম্পদৰ সম্পূৰ্ণ আৰু দক্ষ ব্যৱহাৰ প্ৰকাশ কৰে।



উৎপাদন সম্ভাৱনা সীমাৰেখাৰ বিভিন্ন অৱস্থানৰ অৰ্থ

১. সীমাৰেখাৰ ওপৰত থকা বিন্দু (Point on the PPC)ঃ সীমাৰেখাৰ ওপৰত থকা বিন্দুবোৰে উৎপাদন সম্পদৰ সম্পূৰ্ণ আৰু দক্ষ ব্যৱহাৰ প্ৰকাশ কৰে। এই অৱস্থাত এখন অৰ্থনীতিয়ে উপলব্ধ সম্পদ আৰু প্ৰযুক্তিৰ সহায়ত সৰ্বাধিক সম্ভাব্য উৎপাদন লাভ কৰে।

২. সীমাৰেখাৰ ভিতৰত থকা বিন্দু (Point inside the PPC)ঃ সীমাৰেখাৰ ভিতৰত থকা বিন্দুৱে সম্পদৰ অপূৰ্ণ ব্যৱহাৰ অথবা অদক্ষ উৎপাদন প্ৰকাশ কৰে। নিবনুৱা সমস্যা, উদ্যোগৰ অচল অৱস্থা, প্ৰাকৃতিক দুৰ্যোগ বা সম্পদৰ অপচয়ৰ ফলত এনে অৱস্থাৰ সৃষ্টি হ'ব পাৰে।

৩. সীমাৰেখাৰ বাহিৰত থকা বিন্দু (Point outside the PPC)ঃ সীমাৰেখাৰ বাহিৰত থকা বিন্দুবোৰে বৰ্তমানৰ সম্পদ আৰু প্ৰযুক্তিৰ সহায়ত উৎপাদন কৰিব নোৱাৰা সংমিশ্ৰণ প্ৰকাশ কৰে। অৱশ্যে উন্নত প্ৰযুক্তি, অধিক মূলধন বা শ্ৰমশক্তি বৃদ্ধি পালে এনে উৎপাদন সম্ভৱ হ'ব পাৰে।

উৎপাদন সম্ভাৱনা সীমাৰেখাৰ আকৃতি

সাধাৰণতে উৎপাদন সম্ভাৱনা সীমাৰেখা মূলবিন্দুৰ ফালে অৱতল হয়। ইয়াৰ মূল কাৰণ হৈছে বৰ্ধিত সুযোগ ব্যয়ৰ নিয়ম।

যেতিয়া এখন দেশে এটা সামগ্ৰীৰ উৎপাদন ক্ৰমান্বয়ে বৃদ্ধি কৰে, তেতিয়া সেই সামগ্ৰীৰ উৎপাদনৰ বাবে ক্ৰমান্বয়ে অধিক উপযুক্ত সম্পদ আন সামগ্ৰীৰ উৎপাদনৰ পৰা স্থানান্তৰ কৰিবলগীয়া হয়। ফলত পৰিত্যাগ কৰিবলগীয়া আন সামগ্ৰীৰ পৰিমাণ ক্ৰমান্বয়ে বৃদ্ধি পায়।

উৎপাদন সম্ভাৱনা সীমাৰেখাৰ স্থানান্তৰ

উৎপাদন সম্ভাৱনা সীমাৰেখা দুটা কাৰণত স্থানান্তৰিত হ'ব পাৰে।

- বাহিৰলৈ স্থানান্তৰঃ সম্পদৰ পৰিমাণ বৃদ্ধি, নতুন প্ৰযুক্তিৰ উদ্ভাৱন, উন্নত শিক্ষা, দক্ষতা বৃদ্ধি আৰু মূলধন গঠনৰ ফলত উৎপাদন ক্ষমতা বৃদ্ধি পায়। ফলত উৎপাদন সম্ভাৱনা সীমাৰেখা বাহিৰলৈ স্থানান্তৰিত হয়। ই অৰ্থনৈতিক বিকাশৰ সূচনা কৰে।
- ভিতৰলৈ স্থানান্তৰঃ যুদ্ধ, প্ৰাকৃতিক দুৰ্যোগ, সম্পদৰ ধ্বংস, জনশক্তিৰ হ্ৰাস বা উৎপাদন প্ৰযুক্তিৰ অৱনতিৰ ফলত উৎপাদন ক্ষমতা হ্ৰাস পায়। ফলত উৎপাদন সম্ভাৱনা সীমাৰেখা ভিতৰলৈ স্থানান্তৰিত হয়।

উৎপাদন সম্ভাৱনা সীমাৰেখাৰ গুৰুত্ব

- সম্পদৰ সীমাবদ্ধতা আৰু পছন্দৰ সমস্যা ব্যাখ্যা কৰে।
- সুযোগ ব্যয়ৰ ধাৰণা স্পষ্ট কৰে।
- উৎপাদনৰ দক্ষতা আৰু অদক্ষতা নিৰ্ধাৰণ কৰে।
- সম্পদৰ সৰ্বোত্তম ব্যৱহাৰ দেখুৱায়।
- অৰ্থনৈতিক বিকাশৰ সম্ভাৱনা ব্যাখ্যা কৰে।
- সম্পদৰ বণ্টন সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণত সহায় কৰে।

৩. অর্থনৈতিক ব্যৱস্থা

অর্থনৈতিক ব্যৱস্থাৰ অর্থ

এখন দেশৰ সীমিত সম্পদসমূহ কেনেদৰে উৎপাদন, বিতৰণ আৰু ব্যৱহাৰ কৰা হ'ব, সেই সম্পর্কে গ্ৰহণ কৰা নীতি, নিয়ম আৰু প্ৰতিষ্ঠানসমূহৰ সমষ্টিকে অর্থনৈতিক ব্যৱস্থা বুলি কোৱা হয়।

প্ৰতিখন অর্থনীতিয়ে কিছুমান মৌলিক প্ৰশ্নৰ উত্তৰ বিচাৰিবলগীয়া হয়। এই প্ৰশ্নসমূহ হৈছে—

1. কি উৎপাদন কৰা হ'ব? (What to Produce?)
2. কেনেকৈ উৎপাদন কৰা হ'ব? (How to Produce?)
3. কাৰ বাবে উৎপাদন কৰা হ'ব? (For Whom to Produce?)

এই প্ৰশ্নসমূহৰ উত্তৰ অনুসৰি অর্থনৈতিক ব্যৱস্থাক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰা হয়।

পুঁজিবাদী অর্থনৈতিক ব্যৱস্থা (Capitalist Economy)ঃ যি অর্থনৈতিক ব্যৱস্থাত উৎপাদনৰ উপাদানসমূহৰ অধিকাংশ ব্যক্তিগত মালিকানাধীন হয় আৰু উৎপাদন তথা বিতৰণৰ সিদ্ধান্ত মূলতঃ বজাৰৰ চাহিদা, যোগান আৰু লাভৰ উদ্দেশ্যৰ ওপৰত নির্ভৰ কৰে, তাক পুঁজিবাদী অর্থনৈতিক ব্যৱস্থা বুলি কোৱা হয়।

প্ৰধান বৈশিষ্ট্যসমূহঃ

- ব্যক্তিগত মালিকানাঃ ভূমি, কল-কাৰখানা, যন্ত্ৰপাতি আৰু মূলধনৰ অধিকাংশ ব্যক্তিগত ব্যক্তি বা প্ৰতিষ্ঠানৰ মালিকানাধীন হয়।
- লাভৰ উদ্দেশ্যঃ উৎপাদকসকলে অধিক লাভ অর্জনৰ উদ্দেশ্যে উৎপাদন কার্য পৰিচালনা কৰে।
- বজাৰ ব্যৱস্থাঃ চাহিদা আৰু যোগানৰ পাৰস্পৰিক ক্ৰিয়াৰ দ্বাৰা সামগ্ৰীৰ মূল্য নির্ধাৰিত হয়।
- ব্যক্তিগত স্বাধীনতাঃ উপভোক্তা আৰু উৎপাদকসকলে নিজৰ ইচ্ছা অনুসৰি সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।
- প্ৰতিযোগিতাঃ বিভিন্ন উৎপাদকৰ মাজত প্ৰতিযোগিতা থাকে।
- সীমিত চৰকাৰী হস্তক্ষেপঃ সাধাৰণতে চৰকাৰৰ ভূমিকা সীমিত, যদিও আধুনিক পুঁজিবাদী অর্থনীতিত চৰকাৰে নিয়ন্ত্ৰণমূলক ভূমিকা পালন কৰে।

সুবিধাসমূহঃ

- ব্যক্তিগত উদ্যোগ আৰু উদ্ভাৱনক উৎসাহিত কৰে।
- প্ৰতিযোগিতাৰ ফলত উৎপাদনশীলতা বৃদ্ধি পায়।
- উপভোক্তাৰ পছন্দৰ স্বাধীনতা থাকে।
- সম্পদৰ দক্ষ ব্যৱহাৰৰ সম্ভাৱনা বৃদ্ধি পায়।

অসুবিধাসমূহঃ

- আয় আৰু সম্পত্তিৰ অসমতা বৃদ্ধি পাব পাৰে।
- একচেটিয়া ব্যৱসায়ৰ সৃষ্টি হ'ব পাৰে।
- সামাজিক কল্যাণৰ তুলনাত ব্যক্তিগত লাভক অধিক গুৰুত্ব দিয়া হ'ব পাৰে।
- নিবনুৱা সমস্যা আৰু অর্থনৈতিক অস্থিৰতাৰ সৃষ্টি হ'ব পাৰে।

সমাজবাদী অর্থনৈতিক ব্যৱস্থা (Socialist Economy)ঃ যি অর্থনৈতিক ব্যৱস্থাত উৎপাদনৰ প্ৰধান উপাদানসমূহৰ মালিকানা আৰু নিয়ন্ত্ৰণ চৰকাৰ বা সমাজৰ হাতত থাকে আৰু উৎপাদন তথা বিতৰণৰ সিদ্ধান্ত কেন্দ্ৰীয় পৰিকল্পনাৰ জৰিয়তে গ্ৰহণ কৰা হয়, তাক সমাজবাদী অর্থনৈতিক ব্যৱস্থা বুলি কোৱা হয়।

প্ৰধান বৈশিষ্ট্যসমূহঃ

- ৰাজহুৱা মালিকানাঃ উৎপাদনৰ উপাদানসমূহৰ অধিকাংশ চৰকাৰ বা সমাজৰ অধীনত থাকে।
- কেন্দ্ৰীয় পৰিকল্পনাঃ চৰকাৰে উৎপাদন, বিনিয়োগ আৰু সম্পদৰ বণ্টন সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰে।
- সামাজিক কল্যাণঃ ব্যক্তিগত লাভৰ পৰিৱৰ্তে সামাজিক কল্যাণক অধিক গুৰুত্ব দিয়া হয়।
- আয়ৰ সমতাঃ আয় আৰু সম্পত্তিৰ অসমতা হ্ৰাস কৰাৰ প্ৰচেষ্টা কৰা হয়।
- মূল্য নিয়ন্ত্ৰণঃ চৰকাৰে বহু ক্ষেত্ৰত সামগ্ৰী আৰু সেৱাৰ মূল্য নিয়ন্ত্ৰণ কৰে।

সুবিধাসমূহঃ

- অৰ্থনৈতিক আৰু সামাজিক অসমতা হ্ৰাস কৰাৰ প্ৰয়াস কৰে।
- মৌলিক প্ৰয়োজনীয় সামগ্ৰী আৰু সেৱা প্ৰদানত গুৰুত্ব দিয়ে।
- পৰিকল্পিত উন্নয়নৰ সুবিধা থাকে।
- সম্পদৰ সামাজিক প্ৰয়োজন অনুসৰি বণ্টন সম্ভৱ হয়।

অসুবিধাসমূহঃ

- ব্যক্তিগত উদ্যোগৰ স্বাধীনতা সীমিত হ'ব পাৰে।
- প্ৰতিযোগিতাৰ অভাৱত দক্ষতা হ্ৰাস পাব পাৰে।
- আমোলাতান্ত্ৰিক জটিলতা বৃদ্ধি পাব পাৰে।
- উৎপাদন আৰু বিতৰণৰ সিদ্ধান্ত গ্ৰহণত বিলম্ব হ'ব পাৰে।

মিশ্ৰ অৰ্থনৈতিক ব্যৱস্থা (Mixed Economy)ঃ যি অৰ্থনৈতিক ব্যৱস্থাত ব্যক্তিগত খণ্ড আৰু ৰাজহুৱা খণ্ড উভয়ে একেলগে অৰ্থনৈতিক কাৰ্যকলাপত অংশগ্ৰহণ কৰে, তাক মিশ্ৰ অৰ্থনৈতিক ব্যৱস্থা বুলি কোৱা হয়।

এই ব্যৱস্থাত বজাৰ ব্যৱস্থা আৰু চৰকাৰী পৰিকল্পনা উভয়ৰে সমন্বয় ঘটোৱা হয়।

প্ৰধান বৈশিষ্ট্যসমূহঃ

- ৰাজহুৱা আৰু ব্যক্তিগত মালিকানাঃ অৰ্থনীতিত চৰকাৰী আৰু ব্যক্তিগত উভয় খণ্ডৰ উপস্থিতি থাকে।
- লাভ আৰু সামাজিক কল্যাণঃ ব্যক্তিগত খণ্ডই লাভ অৰ্জনৰ উদ্দেশ্যে কাম কৰে, আনহাতে ৰাজহুৱা খণ্ডই সামাজিক কল্যাণৰ ওপৰত গুৰুত্ব দিয়ে।
- চৰকাৰী নিয়ন্ত্ৰণঃ চৰকাৰে অৰ্থনৈতিক কাৰ্যকলাপ নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰে।
- বজাৰ ব্যৱস্থাৰ ভূমিকাঃ বহু সামগ্ৰীৰ মূল্য চাহিদা আৰু যোগানৰ দ্বাৰা নিৰ্ধাৰিত হয়।
- পৰিকল্পিত উন্নয়নঃ চৰকাৰে অৰ্থনৈতিক উন্নয়নৰ বাবে নীতি আৰু পৰিকল্পনা গ্ৰহণ কৰে।

ভাৰতৰ অৰ্থনীতি মিশ্ৰ অৰ্থনীতিৰ উদাহৰণ। ভাৰতত ব্যক্তিগত উদ্যোগৰ লগতে ৰে'লৱে, প্ৰতিৰক্ষা, ৰাজহুৱা বেংকিং আৰু বিভিন্ন চৰকাৰী প্ৰতিষ্ঠানৰ ভূমিকা আছে।

৪. চাহিদা (Demand)

চাহিদাৰ অৰ্থ আৰু সংজ্ঞাঃ অৰ্থনীতিত চাহিদা বুলিলে কোনো নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট মূল্যত এজন উপভোক্তাই কোনো সামগ্ৰী বা সেৱা ক্ৰয় কৰিবলৈ ইচ্ছা কৰা আৰু ক্ৰয় কৰাৰ সামৰ্থ্য থকা পৰিমাণক বুজায়।

কেৱল সামগ্ৰী ক্ৰয় কৰাৰ ইচ্ছাই চাহিদা নহয়। সেই ইচ্ছাৰ সৈতে ক্ৰয় কৰাৰ সামৰ্থ্যও থাকিব লাগিব।

চাহিদাৰ প্ৰয়োজনীয় উপাদানসমূহঃ

- সামগ্ৰী ক্ৰয় কৰাৰ ইচ্ছা।
- ক্ৰয় কৰাৰ সামৰ্থ্য।

- সামগ্রী ক্রয় কৰাৰ প্ৰস্তুতি।
- নিৰ্দিষ্ট মূল্য।
- নিৰ্দিষ্ট সময়কাল।

চাহিদাৰ নিয়ম (Law of Demand)ঃ অন্যান্য সকলো চৰ্ত অপৰিৱৰ্তিত থাকিলে কোনো সামগ্ৰীৰ মূল্য বৃদ্ধি পালে সেই সামগ্ৰীৰ চাহিদাৰ পৰিমাণ হ্ৰাস পায় আৰু মূল্য হ্ৰাস পালে চাহিদাৰ পৰিমাণ বৃদ্ধি পায়। এই সম্পৰ্ককে চাহিদাৰ নিয়ম বুলি কোৱা হয়।
অৰ্থাৎ, মূল্য আৰু চাহিদাৰ পৰিমাণৰ মাজত বিপৰীতমুখী সম্পৰ্ক থাকে।

চাহিদা তালিকা (Demand Schedule)

চাহিদা তালিকা হৈছে বিভিন্ন মূল্যত এজন উপভোক্তাই ক্ৰয় কৰিব বিচৰা সামগ্ৰীৰ পৰিমাণৰ তালিকা।


সামগ্ৰীৰ মূল্য (টকা)	চাহিদাৰ পৰিমাণ (একক)
১০	৫০
২০	৪০
৩০	৩০
৪০	২০
৫০	১০

তালিকাখনৰ পৰা দেখা যায় যে মূল্য বৃদ্ধি পোৱাৰ লগে লগে চাহিদাৰ পৰিমাণ হ্ৰাস পাইছে।

চাহিদা বক্ৰ (Demand Curve)

চাহিদা বক্ৰ হৈছে এনে এডাল ৰেখা যিয়ে বিভিন্ন মূল্য আৰু চাহিদাৰ পৰিমাণৰ মাজৰ সম্পৰ্ক প্ৰকাশ কৰে।

চিত্ৰত উলম্ব অক্ষত মূল্য আৰু অনুভূমিক অক্ষত চাহিদাৰ পৰিমাণ দেখুওৱা হয়। চাহিদা বক্ৰ সাধাৰণতে বাওঁফালৰ ওপৰৰ পৰা সোঁফালৰ তললৈ ঢাল খাই থাকে। ইয়াৰ কাৰণ হৈছে মূল্য আৰু চাহিদাৰ পৰিমাণৰ মাজত থকা বিপৰীতমুখী সম্পৰ্ক।



চাহিদাৰ নিয়মৰ অনুমানসমূহ

চাহিদাৰ নিয়ম কাৰ্যকৰী হ'বলৈ কেইটামান চৰ্ত অপৰিৱৰ্তিত থকা বুলি ধৰা হয়।

- উপভোক্তাৰ আয় অপৰিৱৰ্তিত থাকিব লাগিব।
- উপভোক্তাৰ ৰুচি আৰু পছন্দৰ পৰিৱৰ্তন হ'ব নালাগে।
- বিকল্প সামগ্ৰীৰ মূল্য অপৰিৱৰ্তিত থাকিব লাগিব।
- পৰিপূৰক সামগ্ৰীৰ মূল্য অপৰিৱৰ্তিত থাকিব লাগিব।
- ভৱিষ্যতৰ মূল্য সম্পৰ্কে উপভোক্তাৰ আশা অপৰিৱৰ্তিত থাকিব লাগিব।
- উপভোক্তাৰ সংখ্যা অপৰিৱৰ্তিত থাকিব লাগিব।

চাহিদাৰ নিয়মৰ ব্যতিক্ৰম

সাধাৰণতে মূল্য বৃদ্ধি পালে চাহিদা হ্ৰাস পায়। কিন্তু কিছুমান বিশেষ পৰিস্থিতিত ইয়াৰ ব্যতিক্ৰম দেখা যায়।

১. গিফেন সামগ্রী (Giffen Goods)ঃ কিছুমান নিম্নমানৰ অত্যাৱশ্যকীয় সামগ্রীৰ ক্ষেত্রত মূল্য বৃদ্ধি পোৱাৰ পিছতো চাহিদা বৃদ্ধি পাব পাৰে। এনে সামগ্রীক গিফেন সামগ্রী বুলি কোৱা হয়।
২. প্রতিপত্তিমূলক সামগ্রী (Prestige Goods)ঃ কিছুমান বিলাসী সামগ্রী যেনে অতি মূল্যৱান অলংকাৰ, দামী ঘড়ী আদিৰ ক্ষেত্রত অধিক মূল্যই সামাজিক প্রতিপত্তিৰ প্রতীক হিচাপে কাম কৰিব পাৰে।
৩. ভৱিষ্যতে মূল্য বৃদ্ধিৰ আশাঃ কোনো সামগ্রীৰ মূল্য ভৱিষ্যতে অধিক বৃদ্ধি হ'ব বুলি আশা কৰিলে বর্তমান মূল্য বৃদ্ধি পালেও উপভোক্তাই অধিক পৰিমাণে ক্রয় কৰিব পাৰে।
৪. জৰুৰীকালীন পৰিস্থিতিঃ যুদ্ধ, বানপানী, মহামাৰী বা খাদ্য সংকটৰ সময়ত অত্যাৱশ্যকীয় সামগ্রীৰ মূল্য বৃদ্ধি পালেও মানুহে সেই সামগ্রী অধিক ক্রয় কৰিবলগীয়া হ'ব পাৰে।

৫. চাহিদাৰ নির্ধাৰকসমূহ (Determinants of Demand)

এটা সামগ্রীৰ চাহিদা কেৱল সেই সামগ্রীৰ নিজৰ মূল্যৰ ওপৰত নির্ভৰ নকৰে। আন বহুতো কাৰকে চাহিদাক প্রভাৱিত কৰে।
১. উপভোক্তাৰ আয়ঃ সাধাৰণতে উপভোক্তাৰ আয় বৃদ্ধি পালে স্বাভাৱিক সামগ্রীৰ চাহিদা বৃদ্ধি পায়। কিন্তু নিম্নমানৰ সামগ্রীৰ ক্ষেত্রত আয় বৃদ্ধি পালে চাহিদা হ্রাস পাব পাৰে।
২. বিকল্প সামগ্রীৰ মূল্যঃ দুটা সামগ্রী ইটোৱে সিটোৰ বিকল্প হ'লে এটা সামগ্রীৰ মূল্য বৃদ্ধি পালে আনটো সামগ্রীৰ চাহিদা বৃদ্ধি পায়। উদাহৰণস্বৰূপে, চাহৰ মূল্য বৃদ্ধি পালে কিছুমান উপভোক্তাই কফিৰ চাহিদা বৃদ্ধি কৰিব পাৰে।
৩. পৰিপূৰক সামগ্রীৰ মূল্যঃ যিবোৰ সামগ্রী একেলগে ব্যৱহাৰ কৰা হয়, সেইবোৰক পৰিপূৰক সামগ্রী বুলি কোৱা হয়। উদাহৰণস্বৰূপে, গাড়ী আৰু পেট্রা'ল। পেট্রা'লৰ মূল্য বৃদ্ধি পালে গাড়ীৰ ব্যৱহাৰ আৰু নতুন গাড়ীৰ চাহিদা হ্রাস পাব পাৰে।
৪. ৰুচি আৰু পছন্দঃ ফেশ্বন, অভ্যাস, বিজ্ঞাপন আৰু সামাজিক পৰিৱর্তনে উপভোক্তাৰ ৰুচি সলনি কৰে। ফলত চাহিদাৰো পৰিৱর্তন হয়।
৫. জনসংখ্যাঃ জনসংখ্যা বৃদ্ধি পালে সাধাৰণতে খাদ্য, বস্ত্র, বাসস্থান আৰু অন্যান্য সামগ্রীৰ বজাৰ চাহিদা বৃদ্ধি পায়।
৬. ভৱিষ্যতৰ মূল্যৰ আশাঃ কোনো সামগ্রীৰ মূল্য ভৱিষ্যতে বৃদ্ধি পাব বুলি আশা কৰিলে বর্তমান চাহিদা বৃদ্ধি পাব পাৰে।
৭. ঋতু আৰু বতৰঃ গৰমৰ দিনত শীতল পানীয়ৰ চাহিদা বৃদ্ধি পায়, আনহাতে শীতকালত গৰম কাপোৰৰ চাহিদা বৃদ্ধি পায়।

৬. চাহিদাৰ পৰিৱর্তন আৰু চাহিদাৰ পৰিমাণৰ পৰিৱর্তন

চাহিদাৰ পৰিমাণৰ পৰিৱর্তনঃ এটা সামগ্রীৰ নিজৰ মূল্যৰ পৰিৱর্তনৰ ফলত একেটা চাহিদা বক্ৰৰ ওপৰত চাহিদাৰ পৰিমাণৰ যি পৰিৱর্তন ঘটে, তাক চাহিদাৰ পৰিমাণৰ পৰিৱর্তন বুলি কোৱা হয়।
ইয়াৰ দুটা ৰূপ আছে।

- চাহিদাৰ সম্প্রসাৰণ (Extension of Demand)ঃ সামগ্রীৰ মূল্য হ্রাস পালে চাহিদাৰ পৰিমাণ বৃদ্ধি পায়।
- চাহিদাৰ সংকোচন (Contraction of Demand)ঃ সামগ্রীৰ মূল্য বৃদ্ধি পালে চাহিদাৰ পৰিমাণ হ্রাস পায়।

চাহিদাৰ পৰিৱর্তনঃ সামগ্রীৰ নিজৰ মূল্যৰ বাহিৰে আন কাৰকৰ পৰিৱর্তনৰ ফলত সম্পূর্ণ চাহিদা বক্ৰৰ স্থানান্তৰ ঘটিলে তাক চাহিদাৰ পৰিৱর্তন বুলি কোৱা হয়।
ইয়াৰ দুটা ৰূপ আছে।

- চাহিদা বৃদ্ধি (Increase in Demand)ঃ আয়, ৰুচি, জনসংখ্যা বা অন্যান্য অনুকূল কাৰকৰ পৰিৱর্তনৰ ফলত একে মূল্যত অধিক পৰিমাণৰ সামগ্রীৰ চাহিদা সৃষ্টি হয়। চাহিদা বক্ৰ সোঁফালে স্থানান্তৰিত হয়।

- চাহিদা হ্রাস (Decrease in Demand)ঃ আয়, ৰুচি বা অন্যান্য কাৰকৰ প্ৰতিকূল পৰিৱৰ্তনৰ ফলত একে মূল্যত চাহিদাৰ পৰিমাণ হ্রাস পায়। চাহিদা বক্ৰ বাওঁফালে স্থানান্তৰিত হয়।

দুয়োটাৰ পাৰ্থক্য

ভিত্তি	চাহিদাৰ পৰিমাণৰ পৰিৱৰ্তন	চাহিদাৰ পৰিৱৰ্তন
কাৰণ	নিজৰ মূল্যৰ পৰিৱৰ্তন	আন নিৰ্ধাৰকসমূহৰ পৰিৱৰ্তন
বক্ৰৰ অৱস্থা	একেটা বক্ৰত থাকে	সম্পূৰ্ণ বক্ৰ স্থানান্তৰিত হয়
বৃদ্ধি	সম্প্ৰসাৰণ	চাহিদা বৃদ্ধি
হ্রাস	সংকোচন	চাহিদা হ্রাস
উদাহৰণ	আপেলৰ মূল্য হ্রাস	উপভোক্তাৰ আয় বৃদ্ধি

৭. বজাৰ চাহিদা (Market Demand)

এটা নিৰ্দিষ্ট সময়ত বজাৰত থকা সকলো উপভোক্তাই বিভিন্ন মূল্যত কোনো সামগ্ৰী ক্ৰয় কৰিবলৈ বিচৰা মুঠ পৰিমাণক বজাৰ চাহিদা বুলি কোৱা হয়।

অৰ্থাৎ, বজাৰ চাহিদা হৈছে ব্যক্তিগত চাহিদাসমূহৰ যোগফল।

$$Q_D = q_1+q_2+q_3+.....+q_n$$

ইয়াত,

- Q_D = বজাৰ চাহিদা।
- $q_1, q_2, ..., q_n$ = বিভিন্ন উপভোক্তাৰ ব্যক্তিগত চাহিদা।

উদাহৰণঃ

মূল্য (টকা)	A-ৰ চাহিদা	B-ৰ চাহিদা	বজাৰ চাহিদা
১০	৫	৭	১২
২০	৪	৫	৯
৩০	৩	৩	৬
৪০	২	১	৩

এই তালিকাৰ পৰা দেখা যায় যে প্ৰতিটো মূল্যত ব্যক্তিগত চাহিদা যোগ কৰি বজাৰ চাহিদা নিৰ্ধাৰণ কৰা হয়।

বজাৰ চাহিদাৰ গুৰুত্বঃ

- উৎপাদকসকলক উৎপাদনৰ পৰিমাণ নিৰ্ধাৰণ কৰাত সহায় কৰে।
- বজাৰৰ মূল্য নিৰ্ধাৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।
- চৰকাৰক অৰ্থনৈতিক নীতি প্ৰস্তুত কৰাত সহায় কৰে।

৮. যোগান (Supply)

যোগানৰ অৰ্থ আৰু সংজ্ঞাঃ কোনো নিৰ্দিষ্ট সময়ত বিভিন্ন মূল্যত উৎপাদকসকলে বজাৰত বিক্ৰী কৰিবলৈ ইচ্ছা কৰা আৰু সামৰ্থ্য থকা সামগ্ৰীৰ পৰিমাণক যোগান বুলি কোৱা হয়।

কেৱল উৎপাদিত সামগ্ৰীৰ মুঠ পৰিমাণেই যোগান নহয়। উৎপাদকসকলে নিৰ্দিষ্ট মূল্যত বজাৰত বিক্ৰী কৰিবলৈ আগবঢ়োৱা পৰিমাণহে যোগানৰ অন্তৰ্ভুক্ত।

যোগানৰ নিয়ম (Law of Supply)

অন্যান্য সকলো চৰ্ত অপৰিৱৰ্তিত থাকিলে কোনো সামগ্ৰীৰ মূল্য বৃদ্ধি পালে সেই সামগ্ৰীৰ যোগানৰ পৰিমাণ বৃদ্ধি পায় আৰু মূল্য হ্রাস পালে যোগানৰ পৰিমাণ হ্রাস পায়। এই সম্পৰ্ককে যোগানৰ নিয়ম বুলি কোৱা হয়।

অৰ্থাৎ, মূল্য আৰু যোগানৰ পৰিমাণৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক থাকে।


যোগান তালিকা (Supply Schedule)

সামগ্রীৰ মূল্য (টকা)	যোগানৰ পৰিমাণ (একক)
১০	১০
২০	২০
৩০	৩০
৪০	৪০
৫০	৫০

তালিকাখনৰ পৰা দেখা যায় যে সামগ্রীৰ মূল্য বৃদ্ধি পোৱাৰ লগে লগে উৎপাদকসকলে অধিক পৰিমাণৰ সামগ্রী বজাৰত বিক্রী কৰিবলৈ আগবঢ়ায়।

যোগান বক্র (Supply Curve)

যোগান বক্র হৈছে বিভিন্ন মূল্যত উৎপাদকসকলে বজাৰত যোগান ধৰিবলৈ ইচ্ছা কৰা সামগ্রীৰ পৰিমাণৰ মাজৰ সম্পর্ক প্রকাশ কৰা এডাল ৰেখা।



সাধাৰণতে যোগান বক্র বাওঁফালৰ তলৰ পৰা সোঁফালৰ ওপৰলৈ ঢাল খাই থাকে। কাৰণ মূল্য বৃদ্ধি পালে উৎপাদকৰ লাভৰ সম্ভাৱনা বৃদ্ধি পায় আৰু তেওঁলোকে অধিক উৎপাদন তথা যোগান ধৰিবলৈ আগ্রহী হয়।

যোগানৰ নির্ধাৰকসমূহ (Determinants of Supply)

১. সামগ্রীৰ নিজৰ মূল্যঃ সামগ্রীৰ মূল্য বৃদ্ধি পালে উৎপাদকসকলে অধিক পৰিমাণে যোগান ধৰিবলৈ আগ্রহী হয়।

২. উৎপাদন ব্যয়ঃ কেঁচামাল, শ্রম, বিদ্যুৎ আৰু পৰিবহণৰ ব্যয় বৃদ্ধি পালে উৎপাদন ব্যয় বৃদ্ধি পায়। ফলত যোগান হ্রাস পাব পাৰে।

৩. প্রযুক্তিঃ উন্নত প্রযুক্তিৰ ব্যৱহাৰে উৎপাদন ব্যয় হ্রাস কৰি উৎপাদন আৰু যোগান বৃদ্ধি কৰে।

৪. চৰকাৰী কৰ আৰু ৰাজসাহায্যঃ কৰ বৃদ্ধি পালে উৎপাদন ব্যয় বৃদ্ধি পায় আৰু যোগান হ্রাস পাব পাৰে। আনহাতে, ৰাজসাহায্যই উৎপাদন ব্যয় হ্রাস কৰি যোগান বৃদ্ধি কৰে।

৫. উৎপাদকৰ সংখ্যাঃ বজাৰত উৎপাদকৰ সংখ্যা বৃদ্ধি পালে সামগ্রিক যোগান বৃদ্ধি পায়।

৬. ভৱিষ্যতৰ মূল্যৰ আশাঃ ভৱিষ্যতে মূল্য বৃদ্ধি হ'ব বুলি আশা কৰিলে উৎপাদকসকলে বর্তমান যোগান হ্রাস কৰি সামগ্রী মজুত ৰাখিব পাৰে।

৭. প্রাকৃতিক অৱস্থাঃ কৃষিজাত সামগ্রীৰ যোগান বতৰ, বৰষুণ, বানপানী, খৰাং আৰু অন্যান্য প্রাকৃতিক অৱস্থাৰ ওপৰত নির্ভৰ কৰে।

৮. আন সামগ্রীৰ মূল্যঃ একে সম্পদ ব্যৱহাৰ কৰি উৎপাদন কৰা সামগ্রীৰ আপেক্ষিক মূল্যৰ পৰিৱর্তনে এটা সামগ্রীৰ যোগানক প্রভাৱিত কৰিব পাৰে।

যোগানৰ পৰিমাণৰ পৰিৱর্তন আৰু যোগানৰ পৰিৱর্তন

যোগানৰ পৰিমাণৰ পৰিৱর্তন (Change in Quantity Supplied)ঃ

সামগ্রীৰ নিজৰ মূল্যৰ পৰিৱর্তনৰ ফলত একেটা যোগান বক্রৰ ওপৰত যোগানৰ পৰিমাণৰ যি পৰিৱর্তন হয়, তাক যোগানৰ পৰিমাণৰ পৰিৱর্তন বুলি কোৱা হয়।

- যোগানৰ সম্প্রসাৰণঃ মূল্য বৃদ্ধি পালে যোগানৰ পৰিমাণ বৃদ্ধি।

- যোগানৰ সংকোচনঃ মূল্য হ্রাস পালে যোগানৰ পৰিমাণ হ্রাস।

যোগানৰ পৰিৱর্তন (Change in Supply)ঃ

সামগ্রীৰ নিজৰ মূল্যৰ বাহিৰে অন্যান্য কাৰকৰ পৰিৱর্তনৰ ফলত সম্পূর্ণ যোগান বক্র স্থানান্তৰিত হোৱাকে যোগানৰ পৰিৱর্তন বুলি কোৱা হয়।

- যোগান বৃদ্ধিঃ বক্র সোঁফালে স্থানান্তৰিত হয়।
- যোগান হ্রাসঃ বক্র বাওঁফালে স্থানান্তৰিত হয়।

বজাৰ যোগান (Market Supply)

এটা নির্দিষ্ট সময়ত বজাৰত থকা সকলো উৎপাদকৰ বিভিন্ন মূল্যত যোগান ধৰিবলৈ ইচ্ছা কৰা সামগ্রীৰ মুঠ পৰিমাণক বজাৰ যোগান বুলি কোৱা হয়।

$$Q_S = q_1+q_2+q_3+.....+q_n$$

ইয়াত,

- Q_S = বজাৰ যোগান।
- $q_1, q_2, ..., q_n$ হৈছে বিভিন্ন উৎপাদকৰ ব্যক্তিগত যোগান।

৯. বজাৰৰ ভাৰসাম্য (Market Equilibrium)

যি অৱস্থাত বজাৰত কোনো সামগ্রীৰ চাহিদাৰ পৰিমাণ আৰু যোগানৰ পৰিমাণ সমান হয়, সেই অৱস্থাক বজাৰৰ ভাৰসাম্য বুলি কোৱা হয়।

এই অৱস্থাত চাহিদা আৰু যোগানৰ মাজত কোনো অতিৰিক্ত চাপ নাথাকে আৰু বজাৰত ভাৰসাম্য মূল্য নির্ধাৰিত হয়।

ভাৰসাম্যৰ চর্ত = $Q_D=Q_S$

ইয়াত,


Q_D = চাহিদাৰ পৰিমাণ।

Q_S = যোগানৰ পৰিমাণ।

ভাৰসাম্য তালিকা

মূল্য (টকা)	চাহিদা (একক)	যোগান (একক)	বজাৰৰ অৱস্থা
১০	৫০	১০	অতিৰিক্ত চাহিদা
২০	৪০	২০	অতিৰিক্ত চাহিদা
৩০	৩০	৩০	ভাৰসাম্য
৪০	২০	৪০	অতিৰিক্ত যোগান
৫০	১০	৫০	অতিৰিক্ত যোগান

তালিকাখনৰ পৰা দেখা যায় যে ৩০ টকা মূল্যত চাহিদা আৰু যোগান সমান। সেয়েহে ৩০ টকা হৈছে ভাৰসাম্য মূল্য আৰু ৩০ একক হৈছে ভাৰসাম্য পৰিমাণ।



চিত্রত চাহিদা বক্র আৰু যোগান বক্রৰ ছেদবিন্দুৱে ভাৰসাম্য নির্ধাৰণ কৰে। উলম্ব অক্ষত মূল্য আৰু অনুভূমিক অক্ষত পৰিমাণ দেখুওৱা হয়।

অতিৰিক্ত চাহিদাঃ যেতিয়া বজাৰত কোনো সামগ্রীৰ চাহিদাৰ পৰিমাণ যোগানৰ পৰিমাণতকৈ অধিক হয়, তেতিয়া তাক অতিৰিক্ত চাহিদা বুলি কোৱা হয়।

ইয়াক সামগ্ৰীৰ অভাৱ বা নাটনি বুলিও কোৱা হয়। অতিৰিক্ত চাহিদাৰ ফলত সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱাৰ প্ৰৱণতা দেখা যায়।

অতিৰিক্ত যোগান (Excess Supply)

যেতিয়া বজাৰত কোনো সামগ্ৰীৰ যোগানৰ পৰিমাণ চাহিদাৰ পৰিমাণতকৈ অধিক হয়, তেতিয়া তাক অতিৰিক্ত যোগান বুলি কোৱা হয়।

অতিৰিক্ত যোগানৰ ফলত উৎপাদকসকলে সামগ্ৰী বিক্ৰী কৰিবলৈ মূল্য হ্ৰাস কৰাৰ প্ৰৱণতা দেখা যায়।

চাহিদা আৰু যোগানৰ পৰিৱৰ্তনে ভাৰসাম্যৰ ওপৰত পেলোৱা প্ৰভাৱ

- চাহিদা বৃদ্ধি আৰু যোগান অপৰিৱৰ্তিত থাকিলে ভাৰসাম্য মূল্য আৰু পৰিমাণ দুয়োটাই বৃদ্ধি পায়।
- চাহিদা হ্ৰাস আৰু যোগান অপৰিৱৰ্তিত থাকিলে ভাৰসাম্য মূল্য আৰু পৰিমাণ দুয়োটাই হ্ৰাস পায়।
- যোগান বৃদ্ধি আৰু চাহিদা অপৰিৱৰ্তিত থাকিলে ভাৰসাম্য মূল্য হ্ৰাস পায় আৰু পৰিমাণ বৃদ্ধি পায়।
- যোগান হ্ৰাস আৰু চাহিদা অপৰিৱৰ্তিত থাকিলে ভাৰসাম্য মূল্য বৃদ্ধি পায় আৰু পৰিমাণ হ্ৰাস পায়।

১০. চাহিদা আৰু যোগানৰ প্ৰয়োগ

চাহিদা আৰু যোগানৰ তত্ত্ব কেৱল বজাৰৰ মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰতে সীমাবদ্ধ নহয়। চৰকাৰৰ মূল্য নিয়ন্ত্ৰণ, খাদ্য বিতৰণ, কৃষি মূল্যনীতি আৰু উপভোক্তা তথা উৎপাদকৰ কল্যাণ বিশ্লেষণৰ ক্ষেত্ৰতো ইয়াৰ বিশেষ গুৰুত্ব আছে।

মূল্যৰ জৰিয়তে সম্পদৰ বণ্টন (Price Rationing)ঃ যেতিয়া কোনো সামগ্ৰীৰ চাহিদা আৰু যোগানৰ মাজত ভাৰসাম্যহীনতাৰ সৃষ্টি হয়, তেতিয়া মূল্যৰ পৰিৱৰ্তনৰ জৰিয়তে সেই সামগ্ৰীৰ উপলব্ধ পৰিমাণ বিভিন্ন উপভোক্তাৰ মাজত বণ্টিত হয়। এই প্ৰক্ৰিয়াকে মূল্যৰ জৰিয়তে সম্পদৰ বণ্টন বুলি কোৱা হয়।

বজাৰ অৰ্থনীতিত মূল্যই এক গুৰুত্বপূৰ্ণ সংকেত হিচাপে কাম কৰে। কোনো সামগ্ৰীৰ চাহিদা বৃদ্ধি পালে আৰু যোগান অপৰিৱৰ্তিত থাকিলে মূল্য বৃদ্ধি পায়। মূল্য বৃদ্ধিৰ ফলত কিছুমান উপভোক্তাই সেই সামগ্ৰী ক্ৰয় কৰাৰ পৰিমাণ হ্ৰাস কৰে। আনহাতে, অধিক মূল্যৰ বাবে উৎপাদকসকলে যোগান বৃদ্ধি কৰিবলৈ উৎসাহিত হয়। এইদৰে মূল্যৰ পৰিৱৰ্তনে চাহিদা আৰু যোগানৰ মাজত ভাৰসাম্য স্থাপন কৰাত সহায় কৰে।

মূল্যৰ জৰিয়তে বণ্টনৰ গুৰুত্বঃ

- সামগ্ৰীৰ নাটনিৰ সময়ত চাহিদা নিয়ন্ত্ৰণ কৰে।
- উৎপাদকসকলক অধিক উৎপাদনৰ বাবে উৎসাহিত কৰে।
- উপলব্ধ সম্পদৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰে।
- বজাৰত ভাৰসাম্য মূল্য স্থাপনত সহায় কৰে।
- উপভোক্তা আৰু উৎপাদকৰ সিদ্ধান্তক প্ৰভাৱিত কৰে।

ন্যূনতম মূল্য নিৰ্ধাৰণ (Price Floor)ঃ চৰকাৰ বা কৰ্তৃপক্ষই কোনো সামগ্ৰী বা সেৱাৰ বাবে নিৰ্ধাৰণ কৰা সৰ্বনিম্ন আইনগত মূল্যক ন্যূনতম মূল্য নিৰ্ধাৰণ বুলি কোৱা হয়। অৰ্থাৎ, নিৰ্ধাৰিত ন্যূনতম মূল্যতকৈ কম মূল্যত সেই সামগ্ৰী বা সেৱা বিক্ৰী কৰিব নোৱাৰি।

ন্যূনতম মূল্য সাধাৰণতে উৎপাদক বা শ্ৰমিকৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যে নিৰ্ধাৰণ কৰা হয়।

ন্যূনতম মূল্যৰ প্ৰভাৱঃ যেতিয়া চৰকাৰে নিৰ্ধাৰণ কৰা ন্যূনতম মূল্য বজাৰৰ ভাৰসাম্য মূল্যতকৈ অধিক হয়, তেতিয়া উৎপাদকসকলে অধিক পৰিমাণে যোগান ধৰিবলৈ আগ্ৰহী হয়। কিন্তু অধিক

মূল্যৰ বাবে উপভোক্তাসকলে কম পৰিমাণে ক্ৰয় কৰে। ফলত বজাৰত অতিৰিক্ত যোগানৰ সৃষ্টি হয়।

ন্যূনতম মূল্যৰ সুবিধাসমূহঃ

- উৎপাদকৰ আয় সুৰক্ষিত কৰে।
- কৃষকক উৎপাদনৰ বাবে উৎসাহিত কৰে।
- শ্ৰমিকৰ ন্যূনতম মজুৰি নিশ্চিত কৰাত সহায় কৰে।
- উৎপাদকৰ বজাৰ অনিশ্চয়তা হ্ৰাস কৰে।

অসুবিধাসমূহঃ

- বজাৰত অতিৰিক্ত যোগানৰ সৃষ্টি হ'ব পাৰে।
- চৰকাৰে অতিৰিক্ত সামগ্ৰী ক্ৰয় কৰিবলগীয়া হ'ব পাৰে।
- চৰকাৰৰ সংৰক্ষণ আৰু ক্ৰয় ব্যয় বৃদ্ধি পায়।
- কেতিয়াবা উৎপাদন আৰু চাহিদাৰ মাজত ভাৰসাম্যহীনতা সৃষ্টি হয়।


উপভোক্তা উদ্বৃত্ত (Consumer Surplus)

কোনো উপভোক্তাই এটা সামগ্ৰী ক্ৰয় কৰিবলৈ সৰ্বাধিক যিমান মূল্য দিবলৈ প্ৰস্তুত থাকে আৰু প্ৰকৃততে যিমান মূল্য দিয়ে, এই দুয়োটাৰ মাজৰ পাৰ্থক্যকে উপভোক্তা উদ্বৃত্ত বুলি কোৱা হয়। অৰ্থাৎ, সামগ্ৰী ক্ৰয় কৰি উপভোক্তাই লাভ কৰা অতিৰিক্ত সন্তুষ্টিৰ আৰ্থিক মূল্যই হৈছে উপভোক্তা উদ্বৃত্ত।

উপভোক্তা উদ্বৃত্তৰ সূত্ৰঃ *CS=TU-(P x Q)*

ইয়াত,

CS = উপভোক্তা উদ্বৃত্ত, TU = উপভোক্তাই সামগ্ৰীৰ পৰা লাভ কৰা মুঠ মূল্যায়িত উপযোগিতা, P = বজাৰ মূল্য আৰু Q = ক্ৰয় কৰা পৰিমাণ।



চিত্ৰত চাহিদা বক্ৰৰ তলৰ আৰু বজাৰৰ ভাৰসাম্য মূল্যৰ ওপৰৰ অংশই উপভোক্তা উদ্বৃত্ত প্ৰকাশ কৰে।

উপভোক্তা উদ্বৃত্তৰ গুৰুত্বঃ

- উপভোক্তাই বজাৰৰ পৰা কিমান অতিৰিক্ত লাভ লাভ কৰিছে, সেই কথা প্ৰকাশ কৰে।
- উপভোক্তাৰ কল্যাণৰ পৰিমাণ নিৰ্ধাৰণ কৰাত সহায় কৰে।
- চৰকাৰৰ কৰনীতি আৰু ৰাজসাহায্যৰ প্ৰভাৱ বিশ্লেষণত ব্যৱহাৰ হয়।
- বিভিন্ন সামগ্ৰী আৰু বজাৰৰ মাজত উপভোক্তাৰ লাভ তুলনা কৰাত সহায় কৰে।

উৎপাদক উদ্বৃত্ত (Producer Surplus)

কোনো উৎপাদকে এটা সামগ্ৰী বিক্ৰী কৰিবলৈ সৰ্বনিম্ন যিমান মূল্য গ্ৰহণ কৰিবলৈ প্ৰস্তুত থাকে আৰু প্ৰকৃততে বজাৰত যিমান মূল্য লাভ কৰে, সেই দুয়োটাৰ মাজৰ পাৰ্থক্যকে উৎপাদক উদ্বৃত্ত বুলি কোৱা হয়।

অৰ্থাৎ, উৎপাদকে সামগ্ৰী বিক্ৰী কৰি লাভ কৰা অতিৰিক্ত ৰাজহই হৈছে উৎপাদক উদ্বৃত্ত।

উৎপাদক উদ্বৃত্তৰ সূত্ৰঃ PS=TR-VC

ইয়াত,

PS = উৎপাদক উদ্বৃত্ত, TR= মুঠ বিক্রী ৰাজহ, VC = চলিত উৎপাদন ব্যয়।

সৰল চাহিদা-যোগান চিত্রত ভাৰসাম্য মূল্যৰ তলৰ আৰু যোগান বক্ৰৰ ওপৰৰ অংশই উৎপাদক উদ্বৃত্ত প্রকাশ কৰে।

উৎপাদক উদ্বৃত্তৰ গুৰুত্বঃ

- উৎপাদকৰ বজাৰৰ পৰা লাভ কৰা অতিৰিক্ত সুবিধা প্রকাশ কৰে।
- উৎপাদন আৰু বিনিয়োগৰ সিদ্ধান্ত গ্রহণত সহায় কৰে।
- উৎপাদকৰ কল্যাণ বিশ্লেষণত ব্যৱহাৰ হয়।
- চৰকাৰী নীতিৰ ফলত উৎপাদকৰ লাভৰ পৰিৱর্তন নির্ণয় কৰাত সহায় কৰে।

উপভোক্তা উদ্বৃত্ত আৰু উৎপাদক উদ্বৃত্তৰ পার্থক্য

পার্থক্যৰ ভিত্তি	**উপভোক্তা উদ্বৃত্ত**	**উৎপাদক উদ্বৃত্ত**
অর্থ	ক্রয়ৰ পৰা লাভ কৰা অতিৰিক্ত সুবিধা	বিক্রীৰ পৰা লাভ কৰা অতিৰিক্ত সুবিধা
কাৰ সৈতে জড়িত	উপভোক্তা	উৎপাদক
গণনাৰ ভিত্তি	দিবলৈ ইচ্ছুক মূল্য আৰু প্রকৃত মূল্যৰ পার্থক্য	প্রকৃত মূল্য আৰু গ্রহণ কৰিবলৈ ইচ্ছুক সর্বনিম্ন মূল্যৰ পার্থক্য
চিত্রত অৱস্থান	চাহিদা বক্ৰৰ তলত আৰু মূল্যৰ ওপৰত	যোগান বক্ৰৰ ওপৰত আৰু মূল্যৰ তলত

১১. স্থিতিস্থাপকতা

অর্থনীতিত স্থিতিস্থাপকতা বুলিলে এটা অর্থনৈতিক চলকৰ পৰিৱর্তনৰ ফলত আন এটা অর্থনৈতিক চলকৰ কিমান পৰিৱর্তন ঘটে, সেই পৰিমাণক বুজায়।

চাহিদাৰ স্থিতিস্থাপকতা হৈছে কোনো সামগ্রীৰ মূল্য, উপভোক্তাৰ আয় অথবা আন সামগ্রীৰ মূল্যৰ পৰিৱর্তনৰ ফলত সেই সামগ্রীৰ চাহিদাৰ পৰিমাণ কিমান পৰিৱর্তিত হয়, তাৰ পৰিমাপ। স্থিতিস্থাপকতাৰ সহায়ত উপভোক্তাৰ প্রতিক্রিয়াৰ পৰিমাণ নির্ণয় কৰিব পাৰি।

চাহিদাৰ মূল্য স্থিতিস্থাপকতা (Price Elasticity of Demand)

কোনো সামগ্রীৰ মূল্যৰ শতাংশ পৰিৱর্তনৰ ফলত সেই সামগ্রীৰ চাহিদাৰ পৰিমাণৰ যি শতাংশ পৰিৱর্তন ঘটে, তাক চাহিদাৰ মূল্য স্থিতিস্থাপকতা বুলি কোৱা হয়।

অর্থাৎ, মূল্যৰ পৰিৱর্তনৰ প্রতি চাহিদাই কিমান সংবেদনশীলভাৱে প্রতিক্রিয়া প্রকাশ কৰে, তাৰ পৰিমাপেই হৈছে চাহিদাৰ মূল্য স্থিতিস্থাপকতা।

চাহিদাৰ মূল্য স্থিতিস্থাপকতাৰ সূত্র

চাহিদাৰ মূল্য স্থিতিস্থাপকতাৰ সূত্র

$$E_d = \frac{\text{চাহিদাৰ পৰিমাণৰ শতাংশ পৰিৱর্তন}}{\text{মূল্যৰ শতাংশ পৰিৱর্তন}}$$

অথবা,

$$E_d = \frac{\%\Delta Q_d}{\%\Delta P}$$

ইয়াত,

- E_d = চাহিদাৰ মূল্য স্থিতিস্থাপকতা।
- ΔQ_d = চাহিদাৰ পৰিমাণৰ পৰিৱর্তন।
- ΔP = মূল্যৰ পৰিৱর্তন।

চাহিদাৰ নিয়ম অনুসৰি মূল্য আৰু চাহিদাৰ পৰিমাণৰ মাজত বিপৰীতমুখী সম্পৰ্ক থাকে। সেয়েহে সাধাৰণতে এই অনুপাত ঋণাত্মক হয়। কিন্তু সহজে ব্যাখ্যা কৰাৰ বাবে প্ৰায়ে ইয়াৰ পৰম মান ব্যৱহাৰ কৰা হয়।

চাহিদাৰ মূল্য স্থিতিস্থাপকতাৰ প্ৰকাৰ

চাহিদাৰ মূল্য স্থিতিস্থাপকতা পাঁচ প্ৰকাৰৰ।

১. সম্পূৰ্ণ স্থিতিস্থাপক চাহিদা (Perfectly Elastic Demand)ঃ যেতিয়া অতি সামান্য মূল্যৰ পৰিৱৰ্তনৰ ফলত চাহিদাৰ পৰিমাণ অসীমভাৱে পৰিৱৰ্তিত হয়, তেতিয়া তাক সম্পূৰ্ণ স্থিতিস্থাপক চাহিদা বুলি কোৱা হয়। $E_d = \infty$ । ইয়াৰ চাহিদা বক্ৰ অনুভূমিক ৰেখা হয়।

২. সম্পূৰ্ণ অস্থিতিস্থাপক চাহিদা (Perfectly Inelastic Demand)ঃ যেতিয়া মূল্যৰ যিকোনো পৰিৱৰ্তনৰ পিছতো চাহিদাৰ পৰিমাণ অপৰিৱৰ্তিত থাকে, তেতিয়া তাক সম্পূৰ্ণ অস্থিতিস্থাপক চাহিদা বুলি কোৱা হয়।$E_d = 0$ । ইয়াৰ চাহিদা বক্ৰ উলম্ব ৰেখা হয়।

৩. একক স্থিতিস্থাপক চাহিদা (Unitary Elastic Demand)ঃ যেতিয়া মূল্যৰ শতাংশ পৰিৱৰ্তন আৰু চাহিদাৰ পৰিমাণৰ শতাংশ পৰিৱৰ্তন সমান হয়, তেতিয়া তাক একক স্থিতিস্থাপক চাহিদা বুলি কোৱা হয়। $E_d = 1$

৪. অধিক স্থিতিস্থাপক চাহিদা (Relatively Elastic Demand)ঃ যেতিয়া মূল্যৰ শতাংশ পৰিৱৰ্তনতকৈ চাহিদাৰ পৰিমাণৰ শতাংশ পৰিৱৰ্তন অধিক হয়, তেতিয়া তাক অধিক স্থিতিস্থাপক চাহিদা বুলি কোৱা হয়। $E_d > 1$

৫. কম স্থিতিস্থাপক চাহিদা (Relatively Inelastic Demand)ঃ যেতিয়া মূল্যৰ শতাংশ পৰিৱৰ্তনতকৈ চাহিদাৰ পৰিমাণৰ শতাংশ পৰিৱৰ্তন কম হয়, তেতিয়া তাক কম স্থিতিস্থাপক চাহিদা বুলি কোৱা হয়। $0 < E_d < 1$

১২. চাহিদাৰ স্থিতিস্থাপকতা গণনা (Calculation of Elasticity)

চাহিদাৰ মূল্য স্থিতিস্থাপকতা গণনাৰ কেইবাটাও পদ্ধতি আছে। ইয়াৰ ভিতৰত শতাংশ পদ্ধতি আৰু মধ্যবিন্দু পদ্ধতি বিশেষভাৱে উল্লেখযোগ্য।

১) শতাংশ পদ্ধতি (Percentage Method)ঃ এই পদ্ধতিত চাহিদাৰ পৰিমাণৰ শতাংশ পৰিৱৰ্তনক মূল্যৰ শতাংশ পৰিৱৰ্তনেৰে ভাগ কৰা হয়। $E_d = \frac{\Delta Q_d/Q_1}{\Delta P/P_1}$

২) মধ্যবিন্দু পদ্ধতি (Midpoint Method)ঃ মূল্য আৰু চাহিদাৰ পৰিমাণৰ প্ৰাৰম্ভিক আৰু নতুন মানৰ গড়ক ভিত্তি হিচাপে লৈ স্থিতিস্থাপকতা নিৰ্ণয় কৰা পদ্ধতিকে মধ্যবিন্দু পদ্ধতি বুলি কোৱা হয়। এই পদ্ধতিয়ে মূল্য বৃদ্ধি বা হ্ৰাস - দুয়োটা দিশতে একে স্থিতিস্থাপকতাৰ মান প্ৰদান কৰে।

$$E_d = \frac{\frac{Q_2 - Q_1}{(Q_1 + Q_2)/2}}{\frac{P_2 - P_1}{(P_1 + P_2)/2}}$$

শতাংশ পদ্ধতিত প্ৰাৰম্ভিক মূল্য আৰু পৰিমাণক ভিত্তি হিচাপে লোৱা হৈছিল। মধ্যবিন্দু পদ্ধতিত দুয়োটা মানৰ গড় ব্যৱহাৰ কৰা হয়। সেয়েহে দুয়োটা পদ্ধতিৰ ফলাফল পৃথক হ'ব পাৰে।

৩) মুঠ ৰাজহ পদ্ধতি (Total Expenditure Method)

এই পদ্ধতিত সামগ্ৰীৰ মূল্য আৰু মুঠ ব্যয় বা মুঠ ৰাজহৰ পৰিৱৰ্তন পৰ্যবেক্ষণ কৰি চাহিদাৰ স্থিতিস্থাপকতা নিৰ্ণয় কৰা হয়। *TR = P x Q,* ইয়াত TR হৈছে মুঠ ৰাজহ।

চাহিদাৰ প্ৰকাৰ	মূল্য হ্ৰাস পালে মুঠ ৰাজহ	মূল্য বৃদ্ধি পালে মুঠ ৰাজহ
অধিক স্থিতিস্থাপক	বৃদ্ধি পায়	হ্ৰাস পায়
একক স্থিতিস্থাপক	অপৰিৱৰ্তিত থাকে	অপৰিৱৰ্তিত থাকে
কম স্থিতিস্থাপক	হ্ৰাস পায়	বৃদ্ধি পায়

১৩. চাহিদাৰ মূল্য স্থিতিস্থাপকতাক প্ৰভাৱিত কৰা কাৰকসমূহ

এটা সামগ্ৰীৰ চাহিদাৰ মূল্য স্থিতিস্থাপকতা সকলো সামগ্ৰীৰ ক্ষেত্ৰতে একে নহয়। কিছুমান সামগ্ৰীৰ মূল্য সামান্য বৃদ্ধি পালেই চাহিদা যথেষ্ট হ্ৰাস পায়, আনহাতে কিছুমান সামগ্ৰীৰ মূল্য যথেষ্ট বৃদ্ধি পালেও চাহিদাৰ বিশেষ পৰিৱৰ্তন নহয়।

চাহিদাৰ স্থিতিস্থাপকতাক প্ৰভাৱিত কৰা প্ৰধান কাৰকসমূহ তলত আলোচনা কৰা হ'ল।

১. বিকল্প সামগ্ৰীৰ উপলব্ধতাঃ কোনো সামগ্ৰীৰ সহজে উপলব্ধ বিকল্প সামগ্ৰী থাকিলে সেই সামগ্ৰীৰ চাহিদা অধিক স্থিতিস্থাপক হয়। উদাহৰণস্বৰূপে, চাহৰ মূল্য বৃদ্ধি পালে উপভোক্তাই কফি ব্যৱহাৰ কৰিব পাৰে। কিন্তু নিমখৰ সহজ বিকল্প নথকা বাবে ইয়াৰ চাহিদা তুলনামূলকভাৱে কম স্থিতিস্থাপক।

২. সামগ্ৰীৰ প্ৰকৃতিঃ অত্যাৱশ্যকীয় সামগ্ৰীৰ চাহিদা সাধাৰণতে কম স্থিতিস্থাপক হয়। উদাহৰণস্বৰূপে, জীৱন ৰক্ষাকাৰী ঔষধৰ মূল্য বৃদ্ধি পালেও মানুহে সেইবোৰ ক্ৰয় কৰিবলগীয়া হয়। আনহাতে, বিলাসী সামগ্ৰীৰ চাহিদা অধিক স্থিতিস্থাপক হ'ব পাৰে।

৩. উপভোগৰ বাবে ব্যয় কৰা আয়ৰ অংশঃ কোনো সামগ্ৰীৰ বাবে উপভোক্তাই নিজৰ আয়ৰ বৃহৎ অংশ ব্যয় কৰিলে সেই সামগ্ৰীৰ মূল্যৰ পৰিৱৰ্তনে চাহিদাত অধিক প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে, গাড়ী বা ফ্ৰীজৰ মূল্য বৃদ্ধি পালে ক্ৰয়ৰ সিদ্ধান্ত পিছলৈ ঠেলি দিব পাৰে।

৪. সময়ৰ পৰিসৰঃ দীৰ্ঘকালত চাহিদা অধিক স্থিতিস্থাপক হোৱাৰ সম্ভাৱনা থাকে। কাৰণ উপভোক্তাই সময়ৰ লগে লগে বিকল্প সামগ্ৰী বিচাৰি উলিয়াব পাৰে। কিন্তু হ্ৰস্বকালত বিকল্পৰ অভাৱত চাহিদা কম স্থিতিস্থাপক হ'ব পাৰে।

৫. সামগ্ৰীৰ বিকল্প ব্যৱহাৰঃ যিবোৰ সামগ্ৰীৰ বিভিন্ন বিকল্প ব্যৱহাৰ থাকে, সেইবোৰৰ চাহিদা অধিক স্থিতিস্থাপক হ'ব পাৰে। উদাহৰণস্বৰূপে, বিদ্যুৎ বিভিন্ন উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰি। মূল্য বৃদ্ধি পালে কিছুমান ক্ষেত্ৰত বিদ্যুতৰ ব্যৱহাৰ হ্ৰাস কৰা সম্ভৱ।

৬. উপভোক্তাৰ অভ্যাসঃ যিবোৰ সামগ্ৰীৰ প্ৰতি উপভোক্তাৰ অভ্যাস বা নিৰ্ভৰশীলতা অধিক, সেইবোৰৰ চাহিদা তুলনামূলকভাৱে কম স্থিতিস্থাপক হ'ব পাৰে।

৭. বজাৰৰ সংজ্ঞা আৰু পৰিসৰঃ এটা সামগ্ৰীৰ বজাৰ যিমান সংকীৰ্ণভাৱে নিৰ্ধাৰণ কৰা হয়, সাধাৰণতে তাৰ চাহিদা সিমান অধিক স্থিতিস্থাপক হ'ব পাৰে। উদাহৰণস্বৰূপে, সামগ্ৰিক খাদ্য সামগ্ৰীৰ তুলনাত এটা বিশেষ ব্ৰেণ্ডৰ চাউলৰ চাহিদা অধিক স্থিতিস্থাপক হ'ব পাৰে।

১৪. অন্যান্য স্থিতিস্থাপকতা (Other Elasticities)

চাহিদাৰ মূল্য স্থিতিস্থাপকতাৰ উপৰি অৰ্থনীতিত আয় স্থিতিস্থাপকতা, আন্তঃসামগ্ৰী বা পাৰস্পৰিক চাহিদা স্থিতিস্থাপকতা আৰু যোগানৰ মূল্য স্থিতিস্থাপকতা বিশেষভাৱে উল্লেখযোগ্য।

১) চাহিদাৰ আয় স্থিতিস্থাপকতা (Income Elasticity of Demand)

উপভোক্তাৰ আয়ৰ শতাংশ পৰিৱৰ্তনৰ ফলত কোনো সামগ্ৰীৰ চাহিদাৰ পৰিমাণৰ যি শতাংশ পৰিৱৰ্তন ঘটে, তাক চাহিদাৰ আয় স্থিতিস্থাপকতা বুলি কোৱা হয়।

অৰ্থাৎ, উপভোক্তাৰ আয় বৃদ্ধি বা হ্ৰাস পালে কোনো সামগ্ৰীৰ চাহিদা কিমান পৰিমাণে পৰিৱৰ্তিত হয়, তাৰ পৰিমাপেই হৈছে আয় স্থিতিস্থাপকতা।

সূত্ৰ

$$E_y = \frac{\text{চাহিদাৰ পৰিমাণৰ শতাংশ পৰিৱৰ্তন}}{\text{আয়ৰ শতাংশ পৰিৱৰ্তন}}$$

অথবা

$$E_y = \frac{\%\Delta Q_d}{\%\Delta Y}$$

ইয়াত, E_y = চাহিদাৰ আয় স্থিতিস্থাপকতা, Q_d = চাহিদাৰ পৰিমাণ, Y = উপভোক্তাৰ আয়।

আয় স্থিতিস্থাপকতাৰ প্ৰকাৰ

১. ধনাত্মক আয় স্থিতিস্থাপকতাঃ আয় বৃদ্ধি পালে চাহিদা বৃদ্ধি পায়। এনে সামগ্ৰীক স্বাভাৱিক সামগ্ৰী বুলি কোৱা হয়। $E_y > 0$ । উদাহৰণঃ উন্নতমানৰ খাদ্য, কাপোৰ, ইলেক্ট্ৰনিক সামগ্ৰী।

২. ঋণাত্মক আয় স্থিতিস্থাপকতাঃ আয় বৃদ্ধি পালে চাহিদা হ্ৰাস পায়। এনে সামগ্ৰীক নিম্নমানৰ সামগ্ৰী বুলি কোৱা হয়। $E_y < 0$ । উদাহৰণঃ কিছুমান নিম্নমানৰ খাদ্য বা কম দামৰ বিকল্প সামগ্ৰী, যিবোৰৰ ব্যৱহাৰ আয় বৃদ্ধিৰ লগে লগে হ্ৰাস পায়।

৩. শূন্য আয় স্থিতিস্থাপকতাঃ আয়ৰ পৰিৱৰ্তনৰ ফলত চাহিদাৰ কোনো পৰিৱৰ্তন নহয়। $E_y = 0$

৪. একতকৈ অধিক আয় স্থিতিস্থাপকতাঃ আয়ৰ শতাংশ বৃদ্ধিতকৈ চাহিদাৰ শতাংশ বৃদ্ধি অধিক হয়। $E_y > 1$। এনে সামগ্ৰীক বিলাসী সামগ্ৰীৰ শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি।

২) পাৰস্পৰিক চাহিদা স্থিতিস্থাপকতা (Cross Elasticity of Demand)

এটা সামগ্ৰীৰ মূল্যৰ শতাংশ পৰিৱৰ্তনৰ ফলত আন এটা সামগ্ৰীৰ চাহিদাৰ পৰিমাণৰ যি শতাংশ পৰিৱৰ্তন ঘটে, তাক পাৰস্পৰিক চাহিদা স্থিতিস্থাপকতা বুলি কোৱা হয়। এই স্থিতিস্থাপকতাৰ সহায়ত দুটা সামগ্ৰীৰ মাজত থকা সম্পৰ্ক নিৰ্ণয় কৰিব পাৰি।

সূত্ৰ

$$E_{xy} = \frac{\text{Y সামগ্ৰীৰ চাহিদাৰ শতাংশ পৰিৱৰ্তন}}{\text{X সামগ্ৰীৰ মূল্যৰ শতাংশ পৰিৱৰ্তন}}$$

পাৰস্পৰিক স্থিতিস্থাপকতাৰ প্ৰকাৰ

১. ধনাত্মক পাৰস্পৰিক স্থিতিস্থাপকতাঃ দুটা সামগ্ৰী পৰস্পৰৰ বিকল্প হ'লে এটা সামগ্ৰীৰ মূল্য বৃদ্ধি পালে আনটো সামগ্ৰীৰ চাহিদা বৃদ্ধি পায়। $E_{xy} > 0$। উদাহৰণঃ চাহ আৰু কফি।

২. ঋণাত্মক পাৰস্পৰিক স্থিতিস্থাপকতাঃ দুটা সামগ্ৰী পৰস্পৰৰ পৰিপূৰক হ'লে এটা সামগ্ৰীৰ মূল্য বৃদ্ধি পালে আনটো সামগ্ৰীৰ চাহিদা হ্ৰাস পায়। $E_{xy} < 0$। উদাহৰণঃ গাড়ী আৰু পেট্ৰ'ল, কলম আৰু চিয়াঁহী।

৩. শূন্য পাৰস্পৰিক স্থিতিস্থাপকতাঃ দুটা সামগ্ৰীৰ মাজত কোনো উল্লেখযোগ্য সম্পৰ্ক নাথাকিলে এটা সামগ্ৰীৰ মূল্যৰ পৰিৱৰ্তনে আনটো সামগ্ৰীৰ চাহিদাত প্ৰভাৱ নেপেলায়। $E_{xy} = 0$। উদাহৰণঃ সাধাৰণ পৰিস্থিতিত চাউল আৰু জোতাৰ চাহিদাৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক নাথাকে।

৩) যোগানৰ মূল্য স্থিতিস্থাপকতা (Price Elasticity of Supply)

কোনো সামগ্ৰীৰ মূল্যৰ শতাংশ পৰিৱৰ্তনৰ ফলত সেই সামগ্ৰীৰ যোগানৰ পৰিমাণৰ যি শতাংশ পৰিৱৰ্তন ঘটে, তাক যোগানৰ মূল্য স্থিতিস্থাপকতা বুলি কোৱা হয়। অৰ্থাৎ, মূল্যৰ পৰিৱৰ্তনৰ প্ৰতি উৎপাদকসকলে যোগানৰ পৰিমাণ কিমান সলনি কৰে, তাৰ পৰিমাপেই হৈছে যোগানৰ মূল্য স্থিতিস্থাপকতা।

সূত্ৰ

$$E_s = \frac{\text{যোগানৰ পৰিমাণৰ শতাংশ পৰিৱৰ্তন}}{\text{মূল্যৰ শতাংশ পৰিৱৰ্তন}}$$

অথবা,

$$E_s = \frac{\%\Delta Q_s}{\%\Delta P}$$

ইয়াত,

Es = যোগানৰ মূল্য স্থিতিস্থাপকতা, Qs = যোগানৰ পৰিমাণ, P = সামগ্ৰীৰ মূল্য।

যোগানৰ মূল্য স্থিতিস্থাপকতাৰ প্ৰকাৰ

১. সম্পূৰ্ণ অস্থিতিস্থাপক যোগানঃ মূল্যৰ পৰিৱৰ্তনৰ পিছতো যোগানৰ পৰিমাণ অপৰিৱৰ্তিত থাকে। $E_s = 0$

২. কম স্থিতিস্থাপক যোগানঃ মূল্যৰ শতাংশ পৰিৱৰ্তনতকৈ যোগানৰ শতাংশ পৰিৱৰ্তন কম হয়।

$$0 < E_s < 1$$

৩. একক স্থিতিস্থাপক যোগানঃ মূল্য আৰু যোগানৰ শতাংশ পৰিৱৰ্তন সমান হয়। $E_s = 1$

৪. অধিক স্থিতিস্থাপক যোগানঃ মূল্যৰ শতাংশ পৰিৱৰ্তনতকৈ যোগানৰ শতাংশ পৰিৱৰ্তন অধিক হয়। $E_s > 1$

৫. সম্পূৰ্ণ স্থিতিস্থাপক যোগানঃ অতি সামান্য মূল্যৰ পৰিৱৰ্তনতে যোগানৰ পৰিমাণ অসীমভাৱে পৰিৱৰ্তিত হয়। $E_s = \infty$

যোগানৰ স্থিতিস্থাপকতাক প্ৰভাৱিত কৰা কাৰকসমূহ

- উৎপাদনৰ সময়ঃ দীৰ্ঘকালত উৎপাদকসকলে উৎপাদন বৃদ্ধি কৰিবলৈ অধিক সময় পায়। সেয়েহে দীৰ্ঘকালত যোগান অধিক স্থিতিস্থাপক হ'ব পাৰে।
- উৎপাদন ক্ষমতাঃ উদ্যোগত অতিৰিক্ত উৎপাদন ক্ষমতা থাকিলে মূল্য বৃদ্ধি পোৱাৰ লগে লগে উৎপাদন বৃদ্ধি কৰিব পাৰি।
- সম্পদৰ উপলব্ধতাঃ কেঁচামাল আৰু শ্ৰম সহজে উপলব্ধ হ'লে যোগান বৃদ্ধি কৰা সহজ হয়।
- সামগ্ৰীৰ সংৰক্ষণ ক্ষমতাঃ সহজে সংৰক্ষণ কৰিব পৰা সামগ্ৰীৰ যোগান তুলনামূলকভাৱে অধিক স্থিতিস্থাপক হ'ব পাৰে।
- প্ৰযুক্তিৰ অৱস্থাঃ উন্নত প্ৰযুক্তিয়ে উৎপাদন বৃদ্ধি আৰু যোগানৰ প্ৰতিক্ৰিয়া উন্নত কৰে।
- প্ৰাকৃতিক কাৰকঃ কৃষিজাত সামগ্ৰীৰ যোগান বতৰ আৰু প্ৰাকৃতিক অৱস্থাৰ ওপৰত নিৰ্ভৰশীল হোৱা বাবে হ্ৰস্বকালত কম স্থিতিস্থাপক হ'ব পাৰে।